# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 07-01-2026
**Time :** 18-45 Hrs

**ASSAMESE EVEN BULLETIN**

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

১। ধেমাজি আৰু ঢকুৱাখনা বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণৰ লগতে লখিমপুৰ জিলা কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন।

২। ৰাজ্যত শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰাত সহায় কৰাটো প্ৰতিটো ৰাজনৈতিক দলৰ দায়িত্ব বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য।

৩। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবিন্দ্ৰ পুৰকায়স্থৰ দেহাৱসান। মুখ্যমন্ত্ৰীৰ লগতে বিভিন্নজনৰ শোকপ্ৰকাশ।

৪। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত চাৰিদিনীয়া কাৰ্যসূচীৰে সপ্তম পক্ষী গণনা। *আৰু*

৫। ১৩ জানুৱাৰীত প্ৰথমবাৰৰ বাবে ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ট্ৰফি গুৱাহাটীলৈ অনাৰ প্ৰস্তুতি।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ধেমাজি আৰু ঢকুৱাখনা বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত প্ৰাৰম্ভিক মূলধনৰ চেক বিতৰণৰ দুটা কাৰ্যসূচীত অংশগ্ৰহণ কৰে। সমষ্টি দুটাৰ ৬৮ হাজাৰ ৯৪২ গৰাকী মহিলাক এই আঁচনিয়ে সামৰি লৈছে।

মুখ্যমন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণতে লখিমপুৰ জিলাত ২৯৮ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। মাতমৰাত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ১৪৮ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া ব্ৰহ্মপুত্ৰ সংহত বান আৰু খহনীয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পৰ নিৰ্মাণ বামুণী চাপৰিৰ পৰা টেকেলিফুটালৈ কৰা হ'ব। তেওঁ ২০ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া ফাটবিহু ক্ষেত্ৰৰ প্ৰথম পৰ্যায়ৰ উন্নয়ন প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে ১৫ কোটি টকা ব্যয়সাপেক্ষ বাসুদেৱ থান নৰোৱা সত্ৰৰ বিকাশৰ প্ৰথম পৰ্যায় আৰু ৯০ কোটি টকা ব্যয়সাপেক্ষে ঢকুৱাখনাৰ মহকুমা অসামৰিক চিকিৎসালয়ক ২০০ খন বিছনাযুক্ত চিকিৎসালয়লৈ উন্নীতকৰণ আৰু আবাসিক গৃহ নিৰ্মাণৰো আধাৰশিলা স্থাপন কৰে। নিশা ৮ বজাত মুখ্যমন্ত্ৰীয়ে ২৫ কোটি টকা ব্যয়েৰে লখিমপুৰত নিৰ্মিত ৮৯০ খন আসনযুক্ত ড° ভূপেন হাজৰিকা টাউন হল নামৰ অত্যাধুনিক প্ৰেক্ষাগৃহও উদ্বোধন কৰিব।

০০০০০

ৰাজ্যত এখন শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত সহযোগ কৰাটো প্ৰতিটো ৰাজনৈতিক দলৰ দায়িত্ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰিছে। আজি ধেমাজিত উদ্যমিত অভিযানৰ অধীনত হিতাধিকাৰীসকলক চেক বিতৰণৰ পাছত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে অবৈধ নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰাৰ বাবে বিজেপি নেতৃত্বাধীন চৰকাৰে প্ৰথমৰে পৰাই কঠোৰ স্থিতি গ্ৰহণ কৰি আহিছে। সন্দেহজনক নাগৰিকৰ বিৰুদ্ধে প্ৰতিগৰাকী ভাৰতীয় নাগৰিকে ৬, ৭ আৰু ৮ নম্বৰ নিৰ্ধাৰিত প্ৰ-পত্ৰ পূৰণ কৰি অভিযোগ দাখিল কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

বাইট

উল্লেখযোগ্য যে, ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পৰা উচ্ছেদিত লোকসকলৰ নাম সেই অঞ্চলৰ ভোটাৰ তালিকাত নাথাকিব বুলিও মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্পষ্ট কৰি দিছে। দখলীকৃত ভূমি দখলমুক্ত কৰিবলৈ ৰাজ্য চৰকাৰে কঠোৰভাৱে উচ্ছেদ অভিযান চলাই যাব বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উচ্ছেদিত লোকসকল যদি কোনো এটা স্থানলৈ গৈ নতুনকৈ বসতি কৰিবলৈ লয় নাইবা ভাৰাতীয়া হিচাপে থাকে তেতিয়া তেওঁলোকৰ নাম তালিকাত অন্তৰ্ভুক্ত হ'ব পাৰে। ০০০

০০০০০

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবিন্দ্ৰ পুৰকায়স্থৰ আজি শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত দেহাৱসান ঘটে। ৯৫ বছৰ বয়সত মৃত্যু হোৱা প্ৰয়াত পুৰকায়স্থ দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল। ১৯৩১ চনৰ ১৫ ডিচেম্বৰত অবিভক্ত অসমৰ শ্ৰীহট্ট জিলাৰ কমাৰশালত জন্মগ্ৰহণ কৰা পুৰকায়স্থৰ পৰিয়ালে পৰৱৰ্তী কালত কাছাৰ জিলাত স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। যুৱ অৱস্থাতে তেতিয়াৰ ভাৰতীয় জনসংঘত যোগদান কৰা কবিন্দ্ৰ পুৰকায়স্থই বৰাক উপত্যকাতে নহয় সমগ্ৰ ৰাজ্যতে ভাৰতীয় জনতা পাৰ্টিৰ সাংগঠনিক স্থিতি শক্তিশালী কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। দলৰ স্বাৰ্থত তেওঁ এখন বিদ্যালয়ৰ অধ্যক্ষৰ পদ ত্যাগ কৰি সম্পূৰ্ণৰূপে দলীয় কাম-কাজত মনোনিৱেশ কৰিছিল। ১৯৯১ চনত তেওঁ প্ৰথমবাৰৰ বাবে লোকসভালৈ নিৰ্বাচিত হয়। বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকী ১৯৯৮ চনৰ পৰা ১৯৯৯ চনলৈ অটল বিহাৰী বাজপেয়ী চৰকাৰৰ যোগাযোগ বিভাগৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী আছিল। প্ৰয়াত নেতাগৰাকীৰ নশ্বৰদেহ আজি নিশাটো শিলচৰতে ৰখা হ'ব আৰু কাইলৈ তেওঁৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হ'ব। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ মৃত্যুত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ডা০ ৰণোজ পেগু, পীযূষ হাজৰিকা, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ লগতে কেইবাগৰাকীও মন্ত্ৰী-বিধায়কে শোক প্ৰকাশ কৰিছে। ভাৰতীয় জনতা পাৰ্টিৰ অন্যতম প্ৰতিষ্ঠাপক গৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই ৰাজ্যিক বিজেপিয়ে কাইলৈ সকলো দলীয় কাৰ্যসূচী বাতিল কৰাৰ লগতে দলটোৰ সকলো কাৰ্যালয়ত দলীয় পতাকা অৰ্ধনমিত কৰি ৰাখিবলৈ ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই আহ্বান জনাইছে।

বাইট

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত চাৰিদিনীয়া কাৰ্যসূচীৰে সপ্তম পক্ষী গণনা অনুষ্ঠিত হৈছে। ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ প্ৰকল্প এলেকাৰ পূব অসম বন্যপ্ৰাণী সংমণ্ডল, নগাঁও বন্যপ্ৰাণী সংমণ্ডলৰ লগতে বিশ্বনাথ বন্যপ্ৰাণী সংমণ্ডল

আৰু চাপৰি এলেকাত এই পক্ষী গণনা অনুষ্ঠিত হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ সঞ্চালক সোণালী ঘোষে এই বিষয়ে প্ৰকাশ কৰে। পক্ষী গণনাৰ বাবে ১২৬ খন বিলৰ সমীপত বন বিভাগৰ বিষয়া-কৰ্মচাৰী, স্বেচ্ছাসেৱী সংগঠনৰ সদস্যৰ লগতে প্ৰায় ৭০ গৰাকী পক্ষী বিশেষজ্ঞই গণনাত অংশ লৈছে। বিগত বছৰৰ গণনাত উদ্যানখনত ১২৪টা প্ৰজাতিৰ মুঠ ১ লাখ ১২ হাজাৰ ৬২টা পক্ষী থকাৰ তথ্য পোৱা গৈছিল। চলিত বছৰত বান আৰু বৰষুণৰ পৰিমাণ হ্ৰাস পোৱাৰ বাবে কেইবাটাও বিল মেটেকাৰে ভৰি পৰিছে। ইয়াৰ ফলত কেইটামান বিলত পক্ষী গণনা কৰিব পৰা হোৱা নাই। অৱশ্যে পক্ষীবিদসকলে গণনাত কেইবাটাও দুষ্প্ৰাপ্য প্ৰজাতিৰ চৰাইৰ সন্ধান লাভ কৰিছে। ২ ফেব্ৰুৱাৰীত এই গণনাৰ ফলাফল ঘোষণা কৰা হ'ব।

ooooo

শিৱসাগৰত আধাৰশিলা ন্যাসৰ উদ্যোগত অহা ৫ ফেব্ৰুৱাৰীৰ পৰা ৪ দিনীয়া কাৰ্যসূচীৰে ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱ ২০২৬ অনুষ্ঠিত হব। বিশিষ্ট সাহিত্যিক ৰীতা চৌধুৰীয়ে আজি শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ত এখন সংবাদমেলত এই বিষয়ে সদৰি কৰে। তেওঁ কয় যে শব্দ, লয় আৰু কলাৰ জৰিয়তে মানৱতাৰ জয়গান গোৱাৰ বাবে এই সাহিত্য উৎসৱৰ আয়োজন কৰা হৈছে।

বাইট

এই উৎসৱ শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ লগতে দিচাংমুখ আৰু বৰ্ডিং খেলপথাৰত অনুষ্ঠিত হ'ব। এই উৎসৱত ম্যানমাৰ, কেনিয়া, হাংগেৰী, শ্লোকাভিয়াসহ পৃথিৱীৰ বিভিন্ন দেশৰ বক্তা, বুৰঞ্জিবিদ আৰু সাহিত্যিকে অংশগ্ৰহণ কৰিব। উৎসৱৰ লগতে  সংগীতানুষ্ঠানৰো আয়োজন কৰা হ'ব। এই উৎসৱত বড়ো আৰু মিছিং জনগোষ্ঠীৰ সংস্কৃতি, সাহিত্য, আৰু লোকাচাৰত বিশেষ গুৰুত্ব দিয়া হ'ব। উৎসৱৰ অংশ হিচাপে বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত আলোচনাচক্ৰও অনুষ্ঠিত কৰা হ'ব। ইয়াৰ উপৰি শান্তি নিকেতনৰ পৰা অহা এটা দলে চিত্ৰকলা সন্দৰ্ভত কৰ্মশালা অনুষ্ঠিত কৰিব। দিচাংমুখৰ বালিচাপৰিত কবিতাৰ অনুষ্ঠানৰো আয়োজন কৰা হ'ব।

ooooo

গুৱাহাটীত কাইলৈৰ পৰা দুদিনীয়াকৈ বস্ত্ৰ মন্ত্ৰীসকলৰ সন্মিলন অনুষ্ঠিত হ'ব। এই দুদিনীয়া সন্মিলনখনে নতুন নীতি, বিনিয়োগ, বহনক্ষমতা, ৰপ্তানী, আন্তঃগাঁথনিৰ বিকাশ আৰু বস্ত্ৰ উদ্যোগৰ ক্ষেত্ৰত প্ৰযুক্তিগতভাৱে কৰিব পৰা উন্নয়নৰ দিশসমূহ সামৰি ল'ব। কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে ২০৩০ চনৰ ভিতৰত ভাৰতে বস্ত্ৰ উদ্যোগৰ ক্ষেত্ৰত গোলকীয়ভাৱে সুকীয়া পৰিচয় গঢ়ি তোলাৰ উদ্দেশ্য আগত ৰাখি কাম কৰিবলৈ বিচাৰিছে। ইয়াৰ সৈতে সংলগ্ন বিভিন্ন দিশ অৰ্থাৎ ৰপ্তানি, নিয়োগৰ সুবিধা প্ৰদান আদিকো সামৰি লোৱাৰ চেষ্টা কৰিছে। পৰম্পৰাগত হস্তশিল্পৰ বিকাশ আৰু উদ্ভাৱনী বিষয়ৰে অনুষ্ঠিত হ'বলগীয়া এই সন্মিলনখনত দেশৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মন্ত্ৰীসকলে অংশগ্ৰহণ কৰিব।

ooooo

২০২৬ বৰ্ষৰ ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ট্ৰফি অহা ১৩ জানুৱাৰীত প্ৰথমবাৰৰ বাবে গুৱাহাটীলৈ অনা হ'ব। ক্ৰীড়া মন্ত্ৰী নন্দিতা গাৰ্লোচাই আজি এখন সংবাদমেলত এইকথা প্ৰকাশ কৰে।

**বাইট**

ৰাজ্য চৰকাৰৰ ক্ৰীড়া বিভাগে বিশ্বকাপৰ ট্ৰফি আদৰণি জনোৱাৰ বাবে বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। লোক কৃষ্টি সংস্কৃতিৰে বিশ্বকাপৰ ট্ৰফি আদৰণি জনোৱা হ'ব। বিমানবন্দৰৰ পৰা ট্ৰফি সৰুসজাই

ষ্টেডিয়ামলৈ আৰু বিয়লি ৩ বজাত বৰ্যাপাৰা ষ্টেডিয়ামলৈ অনা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাইজৰ বাবে ট্ৰফি মুকলি কৰিব। ৰাজ্য চৰকাৰে ট্ৰফি চোৱাৰ বাবে ৮-১০ হাজাৰ বিনামুলীয়া অনুমতি পত্ৰৰ ব্যৱস্থা কৰিছে।

০০০০০

০০০০০

অহা ২০ জানুৱাৰীত অনাতাঁৰ মৰম আকলুৱা পৰিয়ালৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস ধেমাজি জিলাৰ মাছখোৱাৰ যোৰকটা সমন্বয় ক্ষেত্ৰত আয়োজন কৰা হৈছে। অনাতাঁৰ মৰম আকলুৱা পৰিয়ালে প্ৰতিবছৰে কেইবাটাও বঁটা প্ৰদান কৰি আহিছে। আকাশবাণীৰ নিয়মীয়া শ্ৰোতা তথা পত্ৰ লেখক বিশ্বনাথৰ নিগম গাঁৱৰ শৰৎ দুৱৰা, ধেমাজি জিলাৰ মাছখোৱাৰ অজিৎ দিহিঙ্গীয়া আৰু যোৰহাট জিলাৰ জাঁজীৰ দীনেশ শৰ্মাই এই বৰ্ষৰ ৰেডিঅ' অনুৰাগী শ্ৰোতা বন্ধু বঁটা লাভ কৰিছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ ঘোষিকা কৰবী হাজৰিকা, ডিব্ৰুগড় কেন্দ্ৰৰ ঘোষিকা ৰীতা গগৈ বৰা, যোৰহাট কেন্দ্ৰৰ ঘোষক দিগন্ত বৰা আৰু তেজপুৰ কেন্দ্ৰৰ ঘোষক ত্ৰলোক্য বৰাই এই বৰ্ষৰ বিশেষ ঘোষক-ঘোষিকা বঁটা লাভ কৰিছে। একেদৰে দেৰগাঁৱৰ সাংবাদিক নিৰঞ্জন দাসে এই বৰ্ষৰ যুৱ সাংবাদিকতা বঁটা আৰু আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত ঘোষক ৰূপজ্যোতি দুৱৰাই এই বৰ্ষৰ অনুষ্ঠান প্ৰযোজকৰ বঁটা লাভ কৰিছে। অনাতাঁৰ কণ্ঠশিল্পী সংগীতা বৰঠাকুৰক ছৈয়দ ছাদ্দুলাৰ সোঁৱৰণত অনাতাঁৰ মৰম আকলুৱা পৰিয়ালে এটা বিশেষ বঁটা প্ৰদান কৰিব। কণ্ঠশিল্পী, সুৰকাৰ ৰাজেন গোহাঁইক জুবিন গাৰ্গৰ সোঁৱৰণত এটা বিশেষ বঁটা প্ৰদান কৰা হ'ব। বঁটাসমূহত একোটাকৈ ৰেডিঅ', সম্বৰ্ধনা পত্ৰ, এটা নাহৰ পুলি, অংগ বস্ত্ৰ, জাপি, গামোচা, মানপত্ৰৰ লগতে একোটাকৈ কিতাপৰ টোপোলা থাকিব। অনাতাঁৰ মৰম আকলুৱা পৰিয়ালৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ দিনা এই বঁটাসমূহ প্ৰদান কৰা হ'ব।

০০০০০

ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগৰ অধীনত, স্বাস্থ্য সেৱা আৰু পৰিয়াল কল্যাণ বিভাগৰ উদ্যোগত ধুবুৰী জিলাত কাইলৈ প্ৰাপ্তবয়স্কসকলৰ বাবে বিনামূলীয়াকৈ জাপানীজ এনকেফেলাইটিছৰ টীকাকৰণ আৰম্ভ হ'ব। ধুবুৰী জিলাৰ মুখ্য স্বাস্থ্য বিষয়াই জনোৱা মতে অভিযান কাইলৈৰ পৰা ২১ জানুৱাৰীলৈ টীকাকৰণ অভিযান চলিব। ১৫ বছৰ ঊৰ্ধৰ সকলো নাগৰিকক বিনামূলীয়াকৈ টীকাকৰণ কৰা হ'ব। ধুবুৰীত জিলাত মুঠ ২৭৩টা দলে ৮ লাখ ৭৯ হাজাৰ ৭৫২ জন লোকক টীকাকৰণ কৰাৰ লক্ষ্য লৈছে।

ইপিনে শ্ৰীভূমি জিলাতো কাইলৈ ১৫ বছৰৰ পৰা ৬৫ বছৰৰ লোকসকলৰ বাবে জাপানীজ এনকেফেলাইটিছৰ বিনামূলীয়া টীকাকৰণ কৰা হ'ব।

০০০০০

ৰাজ্যৰ পঞ্চায়ত প্ৰতিনিধিসকলৰ দক্ষতা বিকাশৰ জৰিয়তে গ্ৰামাঞ্চলৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ লক্ষ্যৰে আজি ভৱানীপুৰ সৰভোগ সমষ্টিৰ নিৰ্বাচিত প্ৰতিনিধিসকলৰ এখন কৰ্মশালা অনুষ্ঠিত হয়। বৰপেটা ৰোডৰ লক্ষ্মীনাথ বেজবৰুৱা প্ৰেক্ষাগৃহত আয়োজিত কৰ্মশালাত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ লগতে কেইবাগৰাকী বিভাগীয় বিষয়া উপস্থিত থাকে। তেওঁলোকে পঞ্চায়তৰ সমস্যাৰাজিৰ বুজ লৈ

সমাধানৰ ব্যৱস্থা কেনেদৰে গ্ৰহণ কৰিব লাগে সেই বিষয়ে প্ৰতিনিধিসকলক অৱগত কৰে। কৰ্মশালাত দিয়া ভাষণত মন্ত্ৰী শ্ৰীদাসে গ্ৰামাঞ্চলৰ ৰাইজৰ সমস্যাৰ বুজ লৈ সেই অনুসৰি আঁচনি ৰূপায়ন কৰিবলৈ প্ৰতিনিধিসকলক পৰামৰ্শ দিয়ে।

ooooo

মন্ত্ৰী অশোক সিংহলে আজি চৰাইদেউ মৈদাম পৰিদৰ্শন কৰাৰ লগতে অহা ৯ জানুৱাৰীৰ পৰা হ'বলগীয়া চৰাইদেউ মহোৎসৱৰ প্ৰস্তুতিৰ বুজ লয়। পৰিদৰ্শনৰ অন্তত ইউনেস্কোৰ বিশ্ব ঐতিহ্যৰ তালিকাত স্থান পোৱাৰ পাছত চৰাইদেউ মৈদামৰ গুৰুত্ব বিশ্ব দৰবাৰত বৃদ্ধি পোৱা বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। লগতে মন্ত্ৰীগৰাকীয়ে আহোম ৰাজত্বকালৰ ইতিহাস বিজড়িত মৈদামসমূহৰ সংৰক্ষণ আৰু ইয়াৰ ঐতিহাসিক গুৰুত্বৰ বিষয়ে কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰে।

ooooo

যোৰহাট জিলাৰ টিয়ক গৰিয়াপথাৰ চাংমাই গাওঁ নিৱাসী নুমলি বৰুৱাৰ যোৱা নিশা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯০ বছৰ।

ooooo

সমাপ্ত